# Lecture Programme on "Political Philosophy: The Greek Political Tradition"






# নগাঁও ছোৱালী কলেজত মনোজ্ঞ বক্তৃতানুষ্ঠান

'আমাৰ অসম'ৰ ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ২৪ অক্টোবৰ ঃ নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত অলপতে 'ৰাজনৈতিক দৰ্শন ঃ গ্ৰীক পৰম্পৰা' শীৰ্ষক এটা বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° হৰেকৃষ্ণ বৰা। ড° বৰাই নিজৰ বক্তব্যত ৰাজনীতি বিজ্ঞানৰ বিকাশত গ্ৰীক দাৰ্শনিক পৰম্পৰাই কেনেদৰে অৰিহণা যোগাইছিল সেয়া বিস্তৃতভাৱে ব্যাখ্যা কৰে। ভাৰতীয় পৰম্পৰাৰ সৈতে থকা সাদৃশ্যৰ বিষয়েও তেওঁ আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নেডাৰলেণ্ডৰ পৰিৱেশ কৰ্মীদ্বয় কাৰেল ভন অ'ৱেনদৰ্প আৰু কাৰিনা জেচিৰে। উল্লেখ্য, তেওঁলোকৰ 'আৱাৰ ৱাইল্ড ইণ্ডিয়া' নামৰ সংস্থাটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ বন্যপ্ৰাণী সুৰক্ষা আৰু ইক'-টুৰিজ্য'মৰ দিশত কাম কৰি আছে। বক্তৃতানুষ্ঠানৰ লগতে পৰিৱেশ সুৰক্ষা সম্পৰ্কে এটা. সজাগতামূলক অনুষ্ঠানো সম্পন্ন হয়। উপস্থিত সকলোৱে পৰিৱেশৰ ক্ষতি নোহোৱাকৈ সেউজ দীপান্বিতা উদযাপনৰ সংকল্প গ্ৰহণ কৰে। ইলোৱা বিজ্ঞান মঞ্চৰ সহযোগত ছাত্ৰীসকলৰ লগতে স্থানীয় লোকৰ মাজত পৰিৱেশ সজাগতা সম্পৰ্কীয় পুস্তিকা বিতৰণ কৰা হয়।